জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬২/২০২০

# বিশিষ্ট মুক্তি যুঁজাৰু ভবেন বৰাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ আগষ্ট ঃ** বিশিষ্ট মুক্তি যুঁজাৰু ভবেন বৰাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰাই স্বদেশ প্ৰেমৰ যি নিদৰ্শন দেখুৱাই গ'ল সেয়া ৰাজ্যৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ভাৰতৰ স্বাধীনতা আন্দোলনত প্ৰত্যক্ষভাৱে জড়িত হৈ কাৰাবাস খাটিবলগীয়া হোৱা এইগৰাকী স্বাধীনতা যুঁজাৰুৱে স্বদেশ প্ৰেমৰ ভাৱনাৰে সকলোকে উদ্বুদ্ধ কৰি থৈ গৈছে। বিশিষ্ট মুক্তি যোদ্ধাগৰাকীয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উত্তৰণৰ বাবেও কাম কৰি গৈছে। এইগৰাকী মুক্তি যুঁজাৰুৰ বিয়োগ ৰাজ্যৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভবেন বৰাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২১/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in